# যীচুৰে ঈশ্বৰত বাক্য বুজোৱাৰ দ্বাৰাই মানুহৰ হৃদয় কঁপাইছিল

### যিচয়া এনে এজন ভাববাদী আছিল যিজনে স্বৰ্গ দেখা পাইছিল

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল প্ৰভু, যিচয়া ভাববাদীয়ে দেখাৰ দৰে আমাক তোমাৰ গৌৰৱ আৰু পবিত্ৰতা দেখিবলৈ আৰু তেওঁৰ দৰে নম্ৰ হৈ তোমাৰ শুচিকৰণ গ্ৰহণ কৰিবলৈ আৰু তোমাৰ সেৱা কৰিবলৈ নিজকে উচৰ্গা কৰিব দিয়া।”

ল’ৰা-ছোৱালীবিলাকৰ বয়স আৰু প্ৰয়োজন অনুসৰি এইবোৰৰ পৰা যিকোনো এটি শিকিবলগীয়া কাৰ্য্যবোৰ বাছি লওক।

যিচয়া ঃ ৬ঃ১-৮ পদত প্ৰভুৱে যিচয়াক স্বৰ্গ দেখিবলৈ দিয়া আৰু তাৰ পিচত অতীজৰ ইস্ৰায়েল লোকবিলাকক ঈশ্বৰৰ বাক্য শিকাবলৈ তেওঁক পঠিওৱাৰ গল্পটো মুখস্থ কৰি বা পঢ়ি কওক।

এইবোৰ প্ৰশ্ন সোধক। *(উত্তৰবোৰ প্ৰত্যেক প্ৰশ্নৰ পিচতেই আছে)*

- যিচয়াই প্ৰভুক ক’ত দেখা পালে? *(১ পদ)*
- প্ৰভুৰ ওপৰত কি উৰিছিল? *(৩ পদ; চিৰাফবিলাক মহান দূত আছিল।)*
- চিৰাফবিলাকে কি বুলি চিঞৰিছিল? *(৩ পদ)*
- দূতবিলাকে গান গোৱাত মন্দিৰটোৰ কি হ’ল? *(৪ পদ)*
- যেতিয়া এনেদৰে ঘটিল, যিচয়াৰ কি ভাব হ’ল? *(৫ পদ)*



- যিচয়াই কিয় ভয় খাইছিল? *(৫ পদ)*
- যিচয়াই তেওঁৰ ওঁঠ কেনেকৈ পৰিষ্কাৰ কৰিছিল? *(৬-৭ পদ)*
- দূতে যিচয়াক কি কৈছিল? *(৭ পদ)*
- প্ৰভুৰে কি প্ৰশ্ন কৰা যিচয়াই শুনা পাইছিল? *(৮ পদ)*
- যিচয়াই কি উত্তৰ দিছিল? *(৮ পদ)*
- ঈশ্বৰে যিচয়াক কৰাৰ নিচিনাকৈ আমাকো শুচি আৰু আমাৰ পাপবোৰ ক্ষমা কৰা প্ৰয়োজন আছেনে?
- ঈশ্বৰে যেতিয়া তেওঁৰ লোকবিলাকক তেওঁৰ বিষয়ে ক’বলৈ কাক পঠাব বুলি সোধে তেতিয়া আমি কি উত্তৰ দিয়া উচিত?

প্ৰভুৰে ঈশ্বৰৰ বাক্য শিকাবৰ বাবে যিচয়াক কেনেকৈ যুগুত কৰিছিল সেই বিষয়ে গল্পটো নাটক কৰি দেখুৱাওক। (যিচয়া ৬ঃ১-৮ পদ)

- ল’ৰা-ছোৱালীবিলাকে এই সৰু নাটকখন দেখুৱাবৰ বাবে উপাসনা চলাওঁতাজনৰ লগত ঠিক কৰি লওক।
- ল’ৰা-ছোৱালীবিলাকক শিকোৱাৰ সময়খিনি আপুনি নাটকখন যুগুত কৰিবলৈ ব্যৱহাৰ কৰক।
- আপুনি আটাইবিলাক অংশ ব্যৱহাৰ কৰিব নালাগে।
- ডাঙৰ ল’ৰা-ছোৱালীবিলাকক সৰুখিনিক সহায় কৰিবলৈ দিয়ক।
- ডাঙৰ ল’ৰা-ছোৱালী বা জ্যেষ্ঠবিলাকক যিচয়া, ঈশ্বৰৰ মাত, আৰু বৰ্ণনাকাৰীৰ ভাও ল’বলৈ দিয়ক। বৰ্ণনাকাৰীক গল্পটো চমুকৈ ক’বলৈ দিয়ক আৰু ল’ৰা-ছোৱালীবিলাকে কি ক’ব লাগে, কি কৰিব লাগে সেই বিষয়ে সহায় কৰক।
- সৰু ল’ৰা-ছোৱালীবিলাকক চিৰাফৰ (মহানদূতবিলাক) ভাও দিয়ক। তেওঁলোকে ৰঙা গৰম আঙঠা বুজাবলৈ কিবা বস্তু বিচাৰি লয় বা প্ৰস্তুত কৰি লয়।

## প্ৰথম ভাগ

**বৰ্ণনাকাৰী ঃ** যিচয়া ৬ঃ১-৭ পদৰ প্ৰথম ভাগৰ পৰা গল্পটো কয় আৰু কয়, “যিচয়াই কি কৈছে শুনা।”

**যিচয়া ঃ** তোমাৰ হাত দুখন তোমাৰ চকুৰ ওপৰত থোৱা আৰু ডাঙৰকৈ কোৱা।

“মই প্ৰভুক তেওঁৰ মন্দিৰত দেখিলোঁ। তেওঁৰ মহিমা চাৰিওদিশে

তেওঁৰ সিংহাসনৰ চাৰিওফালে দূতবোৰ উড়ি আছে

মন্দিৰ কঁপিবলৈ ধৰিলে আৰু ধোঁৱাৰে পৰিপূৰ্ণ হ’ল

মই ভয় খালো কাৰণ মই অতিশয় পাপেৰে পৰিপূৰ্ণ।”

**বৰ্ণনাকাৰী ঃ** “মহান দূতবোৰে কি গান গাইছে শুনা।”

**চিৰাফ (ল’ৰাবোৰ) ঃ** ডাঙৰকৈ গীত গান কৰে, “পবিত্ৰ, পবিত্ৰ, পবিত্ৰ বাহিনীবিলাকৰ যিহোৱা।”

**চিৰাফবোৰ (ছোৱালীবোৰ) ঃ** “গোটেই পৃথিৱী তেওঁৰ মহিমাৰে পৰিপূৰ্ণ।

(ঈশ্বৰৰ পবিত্ৰতাৰ বিষয়ে গান গাবলৈকো আপুনি ল’ৰা-ছোৱালীবোৰক প্ৰস্তুত কৰিব পাৰে।)

**যিচয়া ঃ** “প্ৰভু মই শুদ্ধ নহওঁ। মোৰ মানুহবোৰ পাপেৰে পৰিপূৰ্ণ। মই তোমাৰ সন্মুখত থাকিব নোৱাৰোঁ।”

**চিৰাফবিলাকৰ এজন ঃ** আঙঠা লৈ যিচয়াৰ ওচৰলৈ উড়ি যোৱাৰ ভাও কৰে। তেওঁৰ মুখখন আঙঠাৰে স্পৰ্শ কৰে। চিঞঁৰে, “ঈশ্বৰে তোমাক ক্ষমা কৰিলে। তেওঁ তোমাক তোমাৰ পাপবোৰৰ পৰা শুচি কৰিলে। এই সকলোবোৰ এতিয়া আঁতৰিল।

## দ্বিতীয় ভাগ

**বৰ্ণনাকাৰী ঃ** ৮ পদৰ পৰা গল্পটোৰ দ্বিতীয় ভাগখিনি কয়। তাৰ পিচত কয়, “প্ৰভুৱে কি কৈছে শুনা।”

**ঈশ্বৰৰ মাত ঃ** “মোক এজন বাৰ্ত্তাবাহকৰ প্ৰয়োজন। মানুহবিলাকক শিকাবলৈ কোন যাব?”

**যিচয়া ঃ** “মই আছো। মোকে পঠাওক।”

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰি দেখুৱাবলৈ সহায় কৰা আটাইকে ধন্যবাদ জনায়।

**প্ৰশ্নবোৰঃ** নাটকখন যদি ল’ৰা-ছোৱালীবোৰে ডাঙৰৰ কাৰণে কৰে তেনেহ’লে ওপৰৰ তালিকাভূক্ত প্ৰশ্নবোৰ সুধিবলৈ দিয়ক।

**প্ৰদৰ্শন ঃ** পেঞ্চিল, কাগজ আৰু দিয়াচলাই কাঠি যুগুত কৰক। ল’ৰা-ছোৱালীবিলাকক সোধক -

- কি বস্তুৱে আমাক ঈশ্বৰৰ সন্মুখত অশুচি কৰে? ল’ৰা-ছোৱালীবোৰে যি কয় সেইবোৰ কাগজত লিখি ৰাখক।
- আমাৰ পাপবোৰৰ পৰা কেনেকৈ মুক্তি পাব পাৰো? কাগজখন পুৰি দিয়ে, ঈশ্বৰে আমাৰ পাপবোৰ লৈ যায় বুলি বুজাই দিয়ক।

**সোধক ঃ** মহান দূতবিলাকে স্বৰ্গত কৰাৰ দৰে, আমি তেওঁৰ পবিত্ৰতা আৰু মহত্ত্বৰ কাৰণে ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ কোনবোৰ গান গাওঁ ? (ল'ৰা-ছোৱালীবিলাকক কেইটামান গানৰ বিষয়ে ক'বলৈ দিয়ক আৰু গাবলৈ কওঁক।)

জ্বলি থকা আঙঠাৰ ছবি আঁকিব দিয়ক। উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবোৰক তেওঁলোকৰ ছবিবোৰ ডাঙৰক দেখুৱাব দিয়ক আৰু বুজাই কওক যে ঈশ্বৰ কিমান শুদ্ধ আৰু পবিত্ৰ আৰু আমাৰ পাপবোৰ জুইয়ে সোন পুৰি চাফা কৰাৰ নিচিনাকৈ, পৰিষ্কাৰ কৰে।



গীতমালা ৫১ঃ১০ পদটো মুখস্থ কৰক।

**কবিতা ঃ** তিনিগৰাকী ল'ৰা-ছোৱালীক প্ৰত্যেককে গীতমালা ৬৩ঃ১-৩ পদৰ পৰা এটাকৈ পদ আওঁৰাবলৈ দিয়ক।

হে ঈশ্বৰ, তুমি মোৰ ঈশ্বৰ;
অতি যত্নেৰে মই তোমাক বিচাৰিম;
পানী নথকা শুকান আৰু খৰাং দেশত
তোমালৈ হাবিয়াহ কৰোঁতে, মোৰ প্ৰাণ
তৃষ্ণাতুৰ হৈছে, মোৰ শৰীৰ ক্ষীণাই গৈছে।
এইদৰে মই তোমাৰ পৰাক্ৰম আৰু গৌৰৱ
দেখিবলৈ পবিত্ৰ স্থানত তোমাক চাইছিলো।
কিয়নো তোমাৰ দয়া জীৱনতকৈয়ো উত্তম;
মোৰ ওঁঠে তোমাৰ স্তুতি কৰিব।”

ডাঙৰ ল'ৰা-ছোৱালীবিলাকক ঈশ্বৰৰ পবিত্ৰতাৰ সম্বন্ধে এটি গান, কবিতা বা সাধাৰণ নাটক লিখিবলৈ দিয়ক, তেওঁক স্বৰ্গত কেনেকৈ মহান দূতবিলাকে প্ৰশংসা কৰে, কেনেকৈ তেওঁ আমাক শুদ্ধ কৰে যাতে আমি তেওঁৰ সেৱা কৰিব পাৰো সেই বিষয়ে ক'ব পাৰে।

**প্ৰাৰ্থনা ঃ** প্ৰভু, যিচয়াৰ নিচিনাকৈ আমি তোমাৰ পবিত্ৰ আৰু মহত্ত্বৰ প্ৰশংসা কৰোঁ, মহান দূতবোৰে তোমাৰ সেৱা কৰে। তেওঁবিলাকৰ লগত আমি গীত গান কঁৰো “পবিত্ৰ, পবিত্ৰ, পবিত্ৰ।” তোমাৰ পবিত্ৰতাই আমি কিমান অশুচি দেখুৱাই দিয়ে। আমাক ক্ষমা কৰা আৰু আমাক শুচি কৰা। যীচুৰ নামত ধন্যবাদ দিওঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net